Prepp
Your Personal Exams Guide

इस पुस्तिका में **16** मुद्रित पृष्ठ हैं।
This Booklet contains **16** printed pages.

# CEF–26–II

Language Code
**03**

## प्रश्न-पत्र—II / PAPER—II
## असमीया भाषा परिशिष्ट
## ASSAMESE LANGUAGE SUPPLEMENT
## भाग IV & V / PART IV & V

Main Test Booklet No. / मुख्य परीक्षा पुस्तिका संख्या

Main Test Booklet Code / मुख्य परीक्षा पुस्तिका कोड
**Z**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**

**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ संख्या 16) पर दिए गए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page No. 16) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका के पृष्ठ संख्या 2 व 15 देखें। / For Instructions in Assamese, see Page Nos. 2 and 15 of this Booklet.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग—IV (भाषा—I) **या** भाग—V (भाषा—II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेजी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग—IV व भाग—V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर-पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉलपॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत Z** है। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट परीक्षा पुस्तिका का संकेत, उत्तर-पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं तथा प्रत्येक 1 अंक का है :

| | | |
|---|---|---|
| भाग—IV | : भाषा—I (असमीया) | (प्रश्न सं० 91–120) |
| भाग—V | : भाषा—II (असमीया) | (प्रश्न सं० 121–150) |

7. भाग—IV में भाषा—I के लिए 30 प्रश्न और भाग—V में भाषा—II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से सम्बन्धित प्रश्न दिए गए हैं। **यदि भाषा—I और/या भाषा—II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है/हैं, तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लें। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन-पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग—V (भाषा—II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा—I (भाग—IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ़ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर-पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This Booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part—IV (Language—I) **OR** Part—V (Language—II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part—IV and Part—V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue/Black Ballpoint Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **Z**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective-type Questions and each carrying 1 mark :

| | |
|---|---|
| Part—IV: Language—I (Assamese) | (Q. Nos. 91–120) |
| Part—V : Language—II (Assamese) | (Q. Nos. 121–150) |

7. Part—IV contains 30 questions for Language—I and Part—V contains 30 questions for Language—II. In this Test Booklet, only questions pertaining to Assamese Language have been given. **In case, the language(s) you have opted for as Language—I and/or Language—II is/are language(s) other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part—V (Language—II) in a language other than the one chosen as Language—I (Part—IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) :
Name of the Candidate (in Capitals) : ____________________

अनुक्रमांक (अंकों में)/Roll Number (in figures) : ____________________
(शब्दों में)/(in words) : ____________________

परीक्षा-केन्द्र (बड़े अक्षरों में) :
Centre of Examination (in Capitals) : ____________________

परीक्षार्थी के हस्ताक्षर :
Candidate's Signature : ____________________

निरीक्षक के हस्ताक्षर :
Invigilator's Signature : ____________________

Facsimile Signature Stamp of Centre Superintendent ____________________

Prepp
Your Personal Exams Guide

এই পৰীক্ষণ-বহীত 16টা পৃষ্ঠা আছে

**CEF–26–II**

পৰীক্ষণ-বহীখনৰ কোড

**Z**

Language Code
**03**

**কাকত—II**

## অসমীয়া ভাষা

**খণ্ড—IV আৰু V**

এই পৰীক্ষণ-বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবাঁ।

এই পৰীক্ষণ-বহীখনৰ পিছৰ পৃষ্ঠাত (পৃষ্ঠা 15 আৰু 16) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়াঁ।

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণ-বহীখনৰ সহায়ক হিচাপে সেইসকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড—IV (ভাষা—I) (Part—IV, Language—I) বা খণ্ড—V (ভাষা—II) (Part—V, Language—II)-ৰ উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষণ-বহীৰ পৰা—I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড—IV আৰু খণ্ড—V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ-বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **ক'লা বা নীলা বল পেন** ব্যৱহাৰ কৰিবাঁ।
5. এইখন ভাষা বহীৰ (Language Booklet) কোড হ'ল **Z** এইটো নিশ্চিত কৰা যে উত্তৰ-বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ-বহী আৰু ভাষা সহায়কত একেধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক (Invigilator) জনাব আৰু ভাষা সহায়ক পৰীক্ষণ-বহী সলাই ল'ব।
6. এই পৰীক্ষণ-বহীৰ দুটা খণ্ড—IV আৰু খণ্ড—V **60** টা চমু ধৰণৰ প্ৰশ্ন (Objective-type Questions) আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড—IV : ভাষা—I (অসমীয়া) (প্ৰশ্ন 91ৰ পৰা 120 লৈ)

   খণ্ড—V : ভাষা—II (অসমীয়া) (প্ৰশ্ন 121ৰ পৰা 150 লৈ)
7. খণ্ড—IV ত ভাষা—I ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড—V ত ভাষা—II ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ-বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা—I অথবা ভাষা—II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ-বহী খুজি ল'বা। তোমাৰ আবেদন পত্ৰত (Application Form) উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিব।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড—V (ভাষা—II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড—IV (ভাষা—I)ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষণ-বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ-বহীতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবাঁ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________

ৰোল নম্বৰ (সংখ্যাৰে) : ______________________

(আখৰেৰে) : ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________

প্ৰাৰ্থীৰ চহী : ______________________ নিৰীক্ষকৰ চহী : ______________________

Facsimile signature stamp of
Centre Superintendent ______________________

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–IV (Q. Nos. 91–120)**, if they have opted **ASSAMESE** as **Language–I** only.

# PART—IV / খণ্ড—IV

## LANGUAGE—I / ভাষা—I

## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ (**প্ৰশ্ন নং 91**ৰ **পৰা 120 লৈ**) উত্তৰ কৰিব।

**91.** তলত দিয়া উক্তিকেইটা পঢ়া :
উক্তি (A) : প্ৰাৰম্ভিক বছৰবোৰত ভাষা শিকা পলম হ'লে ই নতুন ভাষা আহৰণ কৰা বেছি জটিল কৰি তোলে।
যুক্তি (R) : শিশুৰ ভাষা আহৰণৰ ক্ষেত্ৰত প্ৰাৰম্ভিক বছৰকেইটা সংবেদনশীল সময়।
শুদ্ধ বিকল্পটো বাছি উলিওৱা।

(1) A আৰু R দুয়োটাই শুদ্ধ, কিন্তু R, A-ৰ সঠিক ব্যাখ্যা নহয়।
(2) A অশুদ্ধ আৰু R শুদ্ধ
(3) A শুদ্ধ আৰু R অশুদ্ধ
(4) A আৰু R দুয়োটাই শুদ্ধ, আৰু R হৈছে A-ৰ সঠিক ব্যাখ্যা।

**92.** বহুভাষিকতাৰ প্ৰসংগত বুনিয়াদী স্তৰৰ কাৰণে National Curriculum Framework (2022)-ৰ এটা মূল আদৰ্শ হৈছে

(1) প্ৰাৰম্ভিক বছৰবোৰত শিশুৱে কেইবাটাও মৌখিক ভাষা গ্ৰহণ কৰিবলৈ সক্ষম নহয়।
(2) বহুভাষিকতাৰ বোধশক্তিগত আৰু সামাজিক-সাংস্কৃতিক লাভালাভ থাকে।
(3) শিশুক সিহঁতৰ গৃহভাষাটো পাহৰাব লাগে আৰু বিদ্যালয়ৰ ভাষাটো শিকাত গুৰুত্ব দিব লাগে।
(4) ফলপ্ৰসূ পাঠ্যক্ৰম পৰিচালনাত শ্ৰেণীকোঠাৰ বহুভাষিক পৰিৱেশে বাধাৰ সৃষ্টি কৰে।

**93.** কিছুমান ভাষিক সংগোষ্ঠীৰ মাজত দুটা ভিন ভিন ভাষা বা ভাষাৰ বিবিধতাই সহাৱস্থান কৰা দেখা যায়। এনে দুটা ভাষাৰ প্ৰতিটোৰে কাৰ্যকাৰিতাৰ স্পষ্ট সামাজিক এলেকা থাকে। এনে ভাষিক পৰিস্থিতিক কি বুলি কোৱা হয়?

(1) ৰেজিষ্টাৰ
(2) ডিছগ্লছিয়া
(3) উপভাষা
(4) ভাষা-মিশ্ৰণ

**94.** শিশুহঁতক যোৰ পাতি দি একোটাকৈ পাঠ দুভাগত ভগাই সিহঁতক দিয়া হৈছে। পাঠটোৰ আধা এজনে পঢ়ি যায় আনজনে লিখি যায়। দুয়ো মিলি পাঠৰ কাৰ্যটো সম্পূৰ্ণ কৰে। এই ধৰণৰ কাৰ্যক কি বুলি কোৱা হয়?

(1) শব্দজাল
(2) আংশিক শ্ৰুতলিখন
(3) সাধুকথন
(4) ৰানিং টেষ্ট

**95.** ভাষাৰ শ্ৰেণীকোঠা এটাত সাহিত্যৰ পাঠ এটা পঢ়াৰ ক্ষেত্ৰত তলত দিয়া কোনটো শুদ্ধ **নহয়**?

(1) সাহিত্যৰ পাঠবোৰ ভাষা শিকনৰ সাংস্কৃতিক ইন্‌পুট্।
(2) সাহিত্যৰ পাঠে সমালোচনাত্মক চিন্তা আৰু সঁহাৰি বিকাশ কৰে।
(3) শলাগ লৈ বা মোল বুজি আনন্দ লাভৰ কাৰণে সাহিত্যৰ পাঠ পঢ়া হয়।
(4) ব্যাকৰণ শিকাবৰ কাৰণে সাহিত্যৰ পাঠ ব্যৱহাৰ কৰা উচিত।

**96.** ষষ্ঠ মানৰ ছাত্ৰ নবীনে পাঠ এটা পঢ়িবলৈ অসুবিধা পাইছে। শিক্ষকে তাক এটা উজু পাঠ পঢ়িবলৈ দিছে আৰু তাৰ লগত 'ভগাই পঢ়া'ৰ ব্যৱস্থা কৰিছে। শিক্ষকগৰাকীয়ে নবীনক কৰা এই সহায় হৈছে

(1) স্কেফ'ল্ডিং বা ঢোকা দিয়ন
(2) মস্তিষ্ক মন্থন
(3) আইচ-ব্ৰেকিং বা সহজ কৰা
(4) পঠন-সাজু

**97.** ভাষাৰ শিক্ষণ-শিকনৰ কোনটো অভিগমনে 'ভাষা এক অভ্যাস (habit)' বুলি বিশ্বাস কৰে?

(1) যোগাযোগমূলক ভাষা শিক্ষণ
(2) স্বাভাৱিক অভিগমন
(3) সহযোগিতামূলক ভাষা শিকন
(4) শ্ৰব্যভাষিকতা

**98.** শিশু এটাক আগতে নপঢ়া ৰচনাখণ্ড এটা পঢ়িবলৈ দি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ কোৱা গৈছে। শিশুটিৰ এই পঠন হ'ব

(1) একান্ত (exclusive) পঠন
(2) সাৰগ্ৰহণ বা স্কিমিং
(3) বিস্তৃত (extensive) পঠন
(4) ওপৰে-ওপৰে চকু ফুৰোৱা বা স্কেনিং

**99.** শিক্ষকে ছাত্ৰ-ছাত্ৰীক পাঁচখন ছবি দেখুৱাই সেই ছবিকেইখনৰ আধাৰত সাধু এটা লিখিবলৈ দিছে। শিক্ষকগৰাকীৰ এই কাৰ্যটো হৈছে

(1) জিগছ' শ্ৰুতলিখন
(2) ভাগ-বটোৱাৰা কৰি পঢ়া
(3) সৃষ্টিশীল লিখন
(4) দেখুওৱা আৰু কোৱা

**100.** ভাষাৰ পাৰদৰ্শিতা প্ৰদৰ্শনভিত্তিক মূল্যায়নৰ এটা বৈশিষ্ট্য হৈছে

(1) কথা-বাৰ্তা নথকা প্ৰদৰ্শন
(2) অসন্দৰ্ভিত পৰীক্ষণ সামগ্ৰী
(3) সন্দৰ্ভিত যোগাযোগমূলক কাৰ্য
(4) বহুবৈকল্পিক প্ৰশ্ন

**101.** তলত দিয়া উক্তিকেইটা পঢ়া :

A : পঠন হৈছে মাত্ৰ বৰ্ণ আৰু উচ্চাৰণৰ সম্পৰ্ক বুলি শব্দবোৰ শুদ্ধকৈ উচ্চাৰণ কৰা।

B : পঠন হৈছে অৰ্থ পাবৰ কাৰণে কৰা চিহ্নবোৰৰ বিসংকেতীকৰণ।

শুদ্ধ বিকল্পটো বাছি উলিওৱাঁ।

(1) A শুদ্ধ কিন্তু B অশুদ্ধ
(2) A অশুদ্ধ কিন্তু B শুদ্ধ
(3) A আৰু B দুয়োটাই অশুদ্ধ
(4) A আৰু B দুয়োটাই শুদ্ধ

**102.** এগৰাকী শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱণ মূল্যায়ন কৰিবৰ কাৰণে তলত দিয়া কোনটো কাৰ্য কৰিব?

(1) সাধু এটা কৈ দি সেইটো বুজি পোৱাৰ আধাৰত ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিব।
(2) ছাত্ৰ-ছাত্ৰীক সাধু এটা ক'বলৈ দি সেইটোৰ আধাৰত প্ৰশ্ন সুধিব।
(3) শব্দসম্ভাৰ-ভিত্তিক কাৰ্য কৰিবলৈ দিব।
(4) মৌখিক প্ৰদৰ্শনৰ ভিত্তিত নম্বৰ দিব।

**103.** _____ ভাষাৰ অৰ্থৰ সৈতে সম্পৰ্কিত।

(1) শব্দাৰ্থতত্ত্ব
(2) বাক্যতত্ত্ব
(3) ৰূপতত্ত্ব
(4) ধ্বনিতত্ত্ব

**104.** তলত দিয়া কোনটো ভাষা শিকনৰ আদৰ্শ **নহয়**?

(1) শিকনৰ প্ৰতি ভিন ভিন অভিগমন অনুসৰি শিকনো ভিন ভিন হ'ব পাৰে।
(2) ভাষা যোগাযোগৰ এক সাধন।
(3) ব্যাকৰণৰ গঠন বা সূত্ৰসমূহ মুখস্থ কৰি ভাষা শিকা হয়।
(4) ভাষাৰ শিকনে জ্ঞান আৰু দক্ষতা উভয়ৰে পাৰদৰ্শিতা জড়িত কৰায়।

**105.** এগৰাকী শিক্ষকে ব্লেকবোৰ্ডৰ সোঁমাজত এটা শব্দ লিখি দি ছাত্ৰছাত্ৰীবোৰক সেই শব্দটোৰ সৈতে সম্পৰ্কিত যিমান পাৰে সিমান শব্দ ভাবিবলৈ দিছে। শিক্ষকগৰাকীৰ এই কাৰ্যটোৰ উদ্দেশ্য হৈছে

(1) শব্দসম্ভাৰ বৃদ্ধি কৰা
(2) ব্যাকৰণ বুজি পোৱা
(3) পঠন দক্ষতাৰ বিকাশ
(4) লিখন দক্ষতাৰ বিকাশ

**নিৰ্দেশ :** তলৰ পদ্যাংশ পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্পটো চয়ন কৰি উত্তৰ কৰাঁ :

গধূলি হইছে মলয়া বইছে
বেলিটি গইছে বুৰি ;
সোণালী বৰণে পৰি হাবি-বনে
চমকে পৃথিৱী জুৰি।
ৰঙালী ছবিটি বুকুতে সাবটি
নাচিছে ডিবৰু নই
জপনা জাপিছে ৰখীয়া চাপিছে
দমৰা-দামুৰি লই।
চৰাই-চিৰিকটি আহিছে উলটি
আপোন বাঁহলৈ উৰি,

Prepp
Your Personal Exams Guide

হালোৰা-হজুৰা কানীয়া ভঙুৰা
টোকোৰা পঁজালৈ ঘূৰি।
আমোলা মহৰী অফিচ সামৰি
বজাৰ-বেহানি লই,
ঘৰলৈ উভতি আহিছে বাবুটি
বিতত বিচূৰ্তি হই।

**106.** 'টোকোৰা পঁজালৈ' কোন উভতি আহিছে?

(1) সৰু সৰু টোকোৰা চৰাইবোৰ
(2) আমোলা, মহৰী আদি
(3) হলোৰা-হজুৰা, কানীয়া-ভঙুৰা
(4) আপোনমনে বৈ থকা ডিবুৰু নৈখন

**107.** পদ্যাংশটোত থকা বইছে, গইছে, বৰণ, ডিবৰু, নই, লই, হই—এই শব্দকেইটা তলত দিয়া কোনকেইটা একাদিক্ৰমে থকা শব্দৰ কোমলতৰ ৰূপ?

(1) লয়, হয়, নৈ, ডিব্ৰু, গৈছে, বৈছে
(2) বৈছে, গৈছে, বৰ্ণ, নদী, লয়, হয়
(3) বয়, গায়, ডিব্ৰু, নদী, লয়, হয়
(4) বৈছে, গৈছে, বৰ্ণ, ডিব্ৰু, নদী, লৈ, হৈ

**108.** পৃথিৱী জুৰি কি চমকি উঠিছে?

(1) হাবিয়ে বননিয়ে বিচ্ছুৰিত হোৱা সোণালী ৰং
(2) চৰাই-চিৰিকতি বাঁহলৈ উভতি অহাৰ শব্দ
(3) ডিবুৰু নদীৰ সোণালী পানী
(4) মলয়া বতাহে কঢ়িওৱা সোণালী ৰেণু

**109.** পদ্যাংশটোত কোনবিধ কাব্যালংকাৰৰ প্ৰয়োগ পৰিলক্ষিত হয়?

(1) ৰূপক
(2) উপমা
(3) প্ৰতীক
(4) অনুপ্ৰাস

**110.** 'গধূলি' শব্দটোৰ এটা সমাৰ্থসূচক শব্দ হৈছে

(1) ৰাতি
(2) মুনিচুনি বেলা
(3) কাণি-দুৱৰী
(4) আন্ধাৰ

**111.** পদ্যাংশটোত কিহৰ বৰ্ণনা কৰা হৈছে?

(1) কেৱল প্ৰকৃতিৰ ৰূপ বৰ্ণনা
(2) সন্ধ্যাৰ প্ৰকৃতিৰ লগতে মানুহৰ দিনান্তৰ বৰ্ণনা
(3) দিনটোৰ কৰ্মব্যস্ততা আৰু প্ৰকৃতিয়ে ৰূপ সলোৱাৰ বৰ্ণনা
(4) প্ৰভাতী পুৱাৰ প্ৰকৃতিৰ বৰ্ণনা

**নিৰ্দেশ :** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উত্তৰ কৰাঁ :

অসম বিভিন্ন জাতি-উপজাতিৰে পৰিৱেষ্টিত। বিভিন্ন জাতি-উপজাতিক লৈয়ে বৃহত্তৰ অসমীয়া জাতি গঠিত হৈছে। আন আন খিলঞ্জীয়া জনগোষ্ঠীৰ দৰে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা গৰিয়া, মৰিয়া, দেশী বুলি বুৰঞ্জীখ্যাত ইছলাম ধৰ্মী খিলঞ্জীয়াসকল অসমৰ প্ৰাচীন জনগোষ্ঠীসমূহৰ অংশবিশেষ। অসমত এই জনগোষ্ঠীটোৰ উদ্ভৱ এটা উল্লেখযোগ্য পৰিঘটনা। ১২০৫–০৬ খ্ৰীষ্টাব্দত তিব্বত-চীন জয় কৰাৰ মানসেৰে বংগৰ তুৰ্কী সেনাপতি বখ্তিয়াৰ খিলিজিৰ নেতৃত্বত কামৰূপত প্ৰৱেশ কৰা মুছলমান সৈন্যসকল কামৰূপৰ ৰজা পৃথুৰ হাতত শোচনীয়ভাৱে পৰাস্ত হৈ তাৰে কিছু সৈন্য অসমতে বৈ যোৱা বুলি কোৱা হয়। উল্লেখযোগ্য যে বখ্তিয়াৰ খিলিজিক বাট দেখুৱাই লৈ আহিছিল আলি মেচ নামৰ এজন ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত জনজাতীয় ৰজাই। বুৰঞ্জীত তেওঁকেই প্ৰথম ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত জনজাতীয় ৰজা বুলি জনা যায়। গতিকে ৰজাৰ লগত প্ৰজাবো বহুতে ইছলাম ধৰ্ম গ্ৰহণ কৰাটো স্বাভাৱিক কথা। কোনো কোনো ইতিহাসবিদৰ মতে আকৌ সপ্তম শতিকাতে হেনো অসমত ইছলাম ধৰ্মৰ সূচনা তুৰস্কৰ ৰজা সৌষ্টৰ হাছানে চীন জয় কৰি ওভতাৰ পথত বৈ যোৱা কিছু সৈনিকৰ পৰা হয় (প্ৰসংগ : 'ইছলামীয় ঐতিহ্য আৰু অসম'—ৰফিউল হুছেইন বৰুৱা)। সি যি কি নহওক, সপ্তম শতিকাতে হওক বা ত্ৰয়োদশ শতিকাতেই হওক, অসমত এনেদৰে বিভিন্ন সময়ত আহি বৈ যোৱা যুদ্ধবন্দীৰ সৈতে বৈবাহিক সম্পৰ্কক ধৰি হোৱা সান্নিধ্য তথা বিভিন্ন সময়ত অহা ধৰ্মপ্ৰচাৰক পীৰ-সাধকসকলৰ মহান বাণীৰ প্ৰভাৱত বিভিন্ন ধৰ্মাৱলম্বী তথা হিন্দু ধৰ্মাৱলম্বী খিলঞ্জীয়া লোকসকলৰ মনত ইছলাম ধৰ্মৰ প্ৰভাৱ দ'কৈ শিপাবলৈ আৰম্ভ কৰিলে। গতিকে স্বেচ্ছাই হওক বা বিশেষ পৰিস্থিতিত পৰিয়েই হওক, খিলঞ্জীয়া লোকসকলে ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে। কিন্তু ইছলাম ধৰ্ম গ্ৰহণ কৰিলেও এইসকল লোকে নিজৰ খিলঞ্জীয়া লোক-সংস্কৃতি পৰিত্যাগ নকৰিলে। ফলস্বৰূপে কালক্ৰমত এই ধৰ্মান্তৰিত খিলঞ্জীয়া লোকৰ মাজত যুদ্ধবন্দী বুলি খ্যাত মুষ্টিমেয় লোকসকলে নিজৰ সম্পূৰ্ণ স্বকীয়তা পৰিত্যাগ কৰি অসমৰ খিলঞ্জীয়া ভাষা, পৰম্পৰা, সংস্কৃতিৰ সৈতে চিৰদিনৰ বাবে জাহ যাবলৈ বাধ্য হ'ল। আনকি ধৰ্ম প্ৰচাৰৰ বাবে অহা মুছলমান পীৰ-সাধকসকলেও খিলঞ্জীয়া লোকৰ মানসিকতা বুজি উঠি ধৰ্মীয় বাণীসমূহ খিলঞ্জীয়া ভাষা-সংস্কৃতি তথা হিন্দু ধৰ্মীয় শব্দৰ সৈতে সংগতি ৰাখি প্ৰচাৰ কৰিবলৈ বাধ্য হ'ল। অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰা মহান পীৰ হজৰত আজান ফকীৰৰ দ্বাৰা ৰচিত জিকিৰসমূহ তাৰেই

Prepp
Your Personal Exams Guide

জীৱন্ত উদাহৰণ। উল্লেখ্য যে এনেদৰে ধৰ্মান্তৰিত হোৱা খিলঞ্জীয়া লোকসকল আৰম্ভণিতে মূল সমাজখনৰ পৰা বাদ পৰি ৰোৱা সমাজখনৰ অন্তৰ্ভুক্ত হৈ ইছলামধৰ্ম গ্ৰহণ কৰিলে। এই লোকসকলেই গৰিয়া বুলি পৰিচিত হ'ল। অৱশ্যে গৰিয়া শব্দৰ উৎপত্তি সম্পৰ্কে আৰু কেইবাটাও মতবাদ আছে যদিও গৰিয়াসকলৰ দৈহিক গঠন, লোক-সংস্কৃতি, পৰম্পৰা আৰু জনগাঁথনি আদি দিশসমূহৰ ফালৰ পৰা ওপৰত উল্লিখিত মতবাদটোতেই যথাৰ্থতা থকা বুলি অনুমান কৰা হয়। আনহাতে, আহোম ৰাজত্বকালত কাঁহ-পিতলৰ স'তে জড়িত ইছলাম ধৰ্মাৱলম্বী লোকসকলক মৰিয়া বুলি জনা যায়। মৰিয়া লোকসকলৰ অৱস্থিতি উজনি অসমৰ কিছু অঞ্চল, নগাঁও জিলা, নামনিৰ গুৱাহাটীৰ উজান বজাৰ আৰু হাজোত পোৱা যায়। দেশীসকল মূলতঃ অবিভক্ত গোৱালপাৰা জিলাৰ বাসিন্দা। অবিভক্ত গোৱালপাৰাৰ কোচ-ৰাজবংশী ভাষা-সংস্কৃতিসম্পন্ন ইছলামধৰ্মী খিলঞ্জীয়া লোকসকলক দেশী বা দেশী মুছলমান বুলি জনা যায়। দেশীসকল মূলতঃ কোচ-ৰাজবংশী, মেচ-কছাৰী আদি খিলঞ্জীয়া জনগোষ্ঠীৰ পৰা ধৰ্মান্তৰিত হোৱা লোক।

**112.** আহোমসকলৰ শাসনকালত কাঁহ-পিতলৰ কাম কৰা মুছলমান লোকসকলক কি বুলি জনা যায়?

(1) মৰিয়া (2) খিলঞ্জীয়া
(3) দেশী (4) গৰিয়া

**113.** দেশী বা দেশী মুছলমানসকল মূলতঃ কোন ঠাইৰ বাসিন্দা?

(1) অবিভক্ত গোৱালপাৰাৰ (2) নগাঁও জিলাৰ
(3) হাজো অঞ্চলৰ (4) শিৱসাগৰৰ উজনি ভাগৰ

**114.** মূলতঃ কোচ-ৰাজবংশী, মেচ-কছাৰী আদি থলুৱা জনগোষ্ঠীৰ পৰা ইছলাম ধৰ্মৰ দীক্ষা লৈ ধৰ্মান্তৰিত হোৱা লোকসকল হৈছে

(1) মেচ-কছাৰী (2) দেশী
(3) মৰিয়া (4) কোচ-ৰাজবংশী

**115.** ৰজা সৌষ্টৰ হাছানে কোনখন দেশ জয় কৰিছিল?

(1) জাপান (2) তুৰস্ক
(3) হিন্দুস্থান (4) চীন

**116.** 'বৈবাহিক' শব্দটোৰ প্ৰত্যয় ভাঙি দেখুওৱাঁ।

(1) বৈ + বাহিক (2) বৈ + বাহ + ইক্
(3) ব + ই + ব + আ + হ + ই + ক (4) বিবাহ + ইক্

**117.** উদ্ধৃত ৰচনাখণ্ডত থকা 'মুষ্টিমেয়' শব্দটোৰ অৰ্থ হ'ল

(1) মুষ্টিযুদ্ধ (2) এহাত বা এবেগেত
(3) এমুঠিমান মাত্ৰ (4) মুষ্টিভিক্ষা

**118.** তুৰ্কী সেনাপতি বখ্‌তিয়াৰ খিলিজি কামৰূপত প্ৰৱেশ কৰাৰ সময়ত কামৰূপৰ কোনজন শাসকে তেওঁৰ সেনাবাহিনীক পৰাস্ত কৰিছিল?

(1) লাচিত বৰফুকন (2) পৃথু
(3) স্বৰ্গদেউ ৰুদ্ৰসিংহ (4) নৰনাৰায়ণ

**119.** 'আলি মেচ'-ৰ বিষয়ে অশুদ্ধ উক্তিটো বাছি উলিওৱাঁ :

(1) আলি মেচৰ ইছলাম ধৰ্মাৱলম্বীৰ ঘৰত জন্ম হৈছিল।
(2) আলি মেচে বখ্‌তিয়াৰ খিলিজিক বাট দেখুৱাইছিল।
(3) ইছলাম ধৰ্ম গ্ৰহণ কৰা প্ৰথমজন জনজাতীয় ৰজা আছিল আলি মেচ।
(4) আলি মেচ আছিল এজন জনজাতীয় ৰজা।

**120.** জিকিৰসমূহৰ ৰচক কোন আছিল?

(1) হজৰত আলি মেচ (2) হজৰত মহম্মদ
(3) হজৰত আজান ফকীৰ (4) হজৰত আলি

পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো **ভাষা–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ (প্ৰশ্ন নং **121**-ৰ পৰা **150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–V (Q. Nos. 121–150)**, if they have opted **ASSAMESE** as **Language–II** only.

Prepp
Your Personal Exams Guide

## PART—V / খণ্ড—V

### LANGUAGE—II / ভাষা—II

### Assamese / অসমীয়া

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো **ভাষা–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V**ৰ **(প্ৰশ্ন নং 121ৰ পৰা 150 লৈ)** উত্তৰ কৰিব। |

**121.** বাৰৰ পৰা ওঠৰ মাহৰ ভিতৰত শিশুৱে বুজি পাব পৰা একক শাব্দিক উচ্চাৰণ কৰিব পৰা হয়। এই স্তৰটোক কি বুলি কোৱা হয়?

(1) টেলিগ্ৰাফিক স্পীচ্ছ
(2) হল'গ্ৰাফিক ষ্টে'জ
(3) কল্-কলোৱা (babling)
(4) কুন্-কুনোৱা (cooing)

**122.** পঠন আৰু লিখন দক্ষতাৰ বিষয়ে তলৰ উক্তি দুটাৰ শুদ্ধাশুদ্ধ বিচাৰ কৰাঁ :

A : বুজা আৰু পঢ়িব পৰা হোৱা দক্ষতাই লিখনতো প্ৰভাৱ পেলায়।

B : পঠন আৰু লিখন দুটা ভিন ভিন প্ৰক্ৰিয়া আৰু ই নিজা নিজাকৈ বিকশিত হয়।

শুদ্ধ বিকল্পটো বাছি উলিওৱা।

(1) A শুদ্ধ আৰু B অশুদ্ধ
(2) A আৰু B দুয়োটাই অশুদ্ধ
(3) A অশুদ্ধ আৰু B শুদ্ধ
(4) A আৰু B দুয়োটাই শুদ্ধ

**123.** সকলো ভাষাৰে কিছুমান নিৰ্দিষ্ট সাধাৰণ লক্ষণ থাকে। এইবোৰক কি বুলি কোৱা হয়?

(1) ভাষা বিশ্বজনীনতা
(2) ৰেজিষ্টাৰ
(3) উপভাষা
(4) ডিছগ্লছিয়া

**124.** শ্ৰেণীকোঠাত ভাষিক ভিন্নতা থাকিলে কি হ'ব পাৰে?

(1) শিশুৰ কল্পনাশক্তি আৰু সৃষ্টিশীলতা হ্ৰাস হোৱাকৈ সিহঁতৰ আত্মবিশ্বাস ধ্বংস কৰিব
(2) ভাষা শিকনত কোনো প্ৰভাৱ নাথাকিব
(3) শিশুৰ কল্পনাশক্তি আৰু সৃষ্টিশীলতা বৃদ্ধি পোৱাকৈ সিহঁতৰ আত্মবিশ্বাস বৃদ্ধি পাব
(4) ভাষা শিকাৰ অনৰ্গলতা বাধাপ্ৰাপ্ত হ'ব

**125.** উদ্গমী(emergent) সাক্ষৰতাৰ অংশস্বৰূপে তলৰ কোনটো ছপা সজাগতা (print awareness)ৰ বৈশিষ্ট্য **নহয়**?

(1) বৰ্ণ বা আখৰ আৰু শব্দৰ মাজৰ পাৰ্থক্য বুজি পোৱা
(2) বাওঁফালৰ পৰা সোঁফাললৈ আৰু ওপৰৰ পৰা তললৈ পঠন কৰা হয়
(3) সম্পূৰ্ণ একোটা বাক্য পঢ়িবলৈ আৰম্ভ কৰা
(4) হাতত কিতাপ তুলি দিয়া

**126.** বুনিয়াদী স্তৰত পঠন দক্ষতাৰ ফলাফল (outcome)ৰ ক্ৰম নিৰ্ণয় কৰাঁ :

A. উপযুক্ত স্বৰবন্ধন (voice modulation), যতি আৰু স্বৰভংগীৰে (intonation) সৈতে একোটা চুটি ৰচনাখণ্ড শুদ্ধকৈ আৰু সলসলীয়াকৈ পঢ়িব পাৰে।

B. চিনি পোৱা শব্দ কিছুমানৰ বাক্য কেইটামান পঢ়িব পাৰে।

C. উপযুক্ত স্বৰভংগী আৰু যতিৰে সৈতে একোটা চুটি ৰচনাখণ্ড শুদ্ধকৈ পঢ়িব পাৰে।

(1) B, C, A
(2) A, C, B
(3) C, A, B
(4) A, B, C

Prepp
Your Personal Exams Guide

**127.** তলত উল্লেখ কৰা কোনটো ব্যাপক বা বিস্তৃত (extensive) শ্ৰৱণৰ অংশ **নহয়** ?

(1) মূল ধাৰণা পাবৰ কাৰণে কৰা শ্ৰৱণ
(2) সিদ্ধান্ত নিৰ্ণয় কৰা
(3) নিৰ্দিষ্ট তথ্যাদি পাবৰ কাৰণে কৰা শ্ৰৱণ
(4) সাৰ বা মূলভাব পাবৰ কাৰণে কৰা শ্ৰৱণ

**128.** তলত দিয়া কাৰ্যবোৰৰ কোনটো পঠন দক্ষতাৰ মূল্যায়নৰ কাৰণে প্ৰয়োগ কৰা হয় ?

(1) পঠিত পাঠটোৰ আধাৰত বহুবৈকল্পিক প্ৰশ্নৰ উত্তৰ কৰিবলৈ দিয়া
(2) চিত্ৰ সংকেতৰ দ্বাৰা শব্দ চিহ্নিত কৰিবলৈ দিয়া
(3) শিক্ষকৰ দ্বাৰা সাধু-কথন
(4) ডাঙৰ-ডাঙৰকৈ পঢ়িবলৈ দিয়া

**129.** তলত দিয়া কোনটো 'ৰানিং শ্ৰুতলিখন'ৰ উপযুক্ত সংজ্ঞা ?

(1) ছাত্ৰ-ছাত্ৰীয়ে যোৰ বান্ধি কাম কৰে, এটা পাঠ দুটা ভাগত ভগাই দিয়া হয়। এজনে পঢ়ে আৰু আনজনে লিখে। দুয়ো মিলি কামটো সম্পূৰ্ণ কৰে।
(2) ছাত্ৰ-ছাত্ৰীয়ে যোৰ বান্ধি কাম কৰে। এজনে দৌৰি গৈ পাঠটো চাই আহে আৰু লগৰজনক কয়। লগৰজনে লিখে।
(3) শিক্ষকে শব্দবোৰ/পাঠটোৰ শ্ৰুতলিপি দিয়ে আৰু ছাত্ৰ-ছাত্ৰীবোৰে লিখি যায়।
(4) ছাত্ৰ-ছাত্ৰীয়ে পাঠ এটাৰ ভিন ভিন অংশ শুনে বা পঢ়ে আৰু তাৰ পাছত কাৰ্যটো সম্পূৰ্ণ কৰিবৰ কাৰণে আনবোৰৰ সৈতে তথ্যৰ আদান-প্ৰদান কৰে।

**130.** "ভাষা আহৰণৰ জন্মগত তথা স্বভাৱজাত ক্ষমতাৰ সৈতেই শিশুৰ জন্ম হয়।" এই ধাৰণাটো সমৰ্থন কৰা বাদ বা তত্ত্বটো হৈছে

(1) বোধগম্যবাদ
(2) সামাজিক কথাবাৰ্তা তথা যোগাযোগতত্ত্ব
(3) আচৰণবাদ
(4) সহজাত গুণবাদ

**131.** প্ৰচেছ লিখন পদ্ধতিৰ যি উপাদান বা যি স্তৰত লিখোঁতাজনে আনুষ্ঠানিকভাৱে তেওঁক কাম বৃহত্তৰ পাঠকলৈ আগবঢ়াই দিয়ে, সেই উপাদানটো হৈছে

(1) প্ৰকাশ কৰা
(2) সম্পাদনা কৰা
(3) পুনৰ পৰীক্ষণ বা পুনৰ সংশোধন
(4) খচৰা প্ৰস্তুতকৰণ

**132.** পাঠ এটাত থকা জটিল শব্দবোৰ বুজাবৰ কাৰণে ভাষাৰ শিক্ষক এগৰাকীয়ে জটিল শব্দবোৰ প্ৰথমে ছাত্ৰ-ছাত্ৰীক সিহঁতৰ মাতৃভাষাত কৈ দিছে আৰু মনত ৰাখিবলৈ কৈছে। শিক্ষকগৰাকীয়ে ব্যৱহাৰ কৰা শিক্ষণ পদ্ধতিটো হৈছে

(1) প্ৰত্যক্ষ পদ্ধতি
(2) গঠনাত্মক পদ্ধতি
(3) যোগাযোগমূলক পদ্ধতি
(4) ব্যাকৰণ অনুবাদ পদ্ধতি

Prepp
Your Personal Exams Guide

**133.** শিকাৰুৱে কোনো সহায় নোলোৱাকৈ এটা কাৰ্য কৰিব পৰা আৰু একেটা কাৰ্য বেছি পৰা এজনৰ সৈতে বা ডাঙৰৰ সৈতে মিলি কৰিব পৰাৰ মাজৰ পাৰ্থক্যক কি বুলি কোৱা হয়?

(1) নিকট বিকাশৰ ক্ষেত্ৰ
(2) সাফল্যৰ ক্ষেত্ৰ
(3) দূৰস্থ শিক্ষা
(4) পৰিপক্বতাৰ স্তৰ

**134.** মগজুৰ চেৰিব্ৰেল অংশৰ স্থানীয় বিজুতিৰ কাৰণে ভাষিক গঠনৰ ক্ষেত্ৰত বুজি পোৱাৰ বা কোৱাৰ অসুবিধাটো হৈছে

(1) ডিছলেক্সিয়া
(2) ডিছকেলকুলিয়া
(3) ডিছআৰ্থিয়া
(4) এফেজিয়া

**135.** ভাষা এটা এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ পৰিবাহিত হোৱা প্ৰক্ৰিয়াটো হৈছে

(1) উৎপাদনশীলতা
(2) যাদৃচ্ছিকতা
(3) বিস্থাপন বা বিস্থানীকৰণ
(4) সাংস্কৃতিক পৰিবহণ

**নিৰ্দেশ :** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া বহু বৈকল্পিক প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ :

কলম্বোত আমাৰ এই ভ্ৰমণৰ শেষ দিনটো অতিবাহিত হ'ব গীতাঞ্জলিৰ নিৰ্দেশনাত। তেওঁৰ কথা-বতৰাত প্ৰাতিষ্ঠানিক ধৰ্মসমূহৰ প্ৰতি এক ধৰণৰ গভীৰ আস্থাৰ আভাস পোৱা গৈছে। গতিকে ধাৰণা হৈছে—কলম্বোৰ বৌদ্ধ মন্দিৰ দৰ্শনত সদ্যহতে নিস্পৃহ আৰু নিৰাসক্ত হোৱাৰ সুযোগ নাথাকিব। ইতিমধ্যেই তেওঁ গংগাৰামায়া মন্দিৰৰ মহিমা ব্যাখ্যাত তৎপৰ হৈ উঠিছে। আমাক কোৱা হৈছে যে মন্দিৰ চৌহদৰ অশ্বত্থ বৃক্ষৰ চৌপাশে প্ৰদক্ষিণ কৰি প্ৰণাম কৰিলে মনোবাঞ্ছা পূৰণ হয়। জনা গৈছে, দিনটোত আমাৰ আটাইতকৈ বেছি সময় লাগিব গংগাৰামায়া মন্দিৰত। এই মন্দিৰত সংৰক্ষিত হৈ আছে বুদ্ধৰ কেশ—কেশৰ অৱশেষ; স্বাভাৱিকতেই কৌতূহলী মানুহ আৰু বুদ্ধ অনুৰাগীৰ সমাৱেশ ঘটিব।

আমি গংগাৰামায়া মন্দিৰ চৌহদত প্ৰৱেশ কৰাৰ পাছ মুহূৰ্ততে যি কথাই আমাক আকৰ্ষণ কৰিলে, সেয়া অৱশ্যেই বুদ্ধৰ কেশ অথবা অশ্বত্থ বৃক্ষ নহয়। আমি আগবাঢ়ি গ'লোঁ মন্দিৰৰ প্ৰথম মহলাৰ এটা বিশেষ কোঠালৈ, য'ত দুগৰাকী বাদ্যযন্ত্ৰীয়ে পৰিৱেশন কৰিছে ডাউলা (daula) বাদন; তৃতীয়গৰাকীয়ে পেঁপাজাতীয় এবিধ বাদ্য বজাইছে। অৱশ্যে এই বাদ্যবাদনক 'পৰিৱেশন' নুবুলি 'প্ৰাৰ্থনা' বোলাই যুগুত। মন কৰিলোঁ—ডাউলা বাদ্যবিধ দেখিবলৈ প্ৰায় উত্তৰ ভাৰতৰ ঢোলকৰ দৰে। ঢোলকটোৰ এফালে তেওঁলোকে লাঠী এডালেৰে প্ৰহাৰ কৰিছে ; আনফালে চাপৰ মাৰিছে হাতেৰে। শব্দৰ উৎপত্তিৰ বাবে য'ত কম্পনৰ সৃষ্টি কৰা হৈছে, সেই অংশটো পূৰ্বতে নিৰ্মিত হৈছিল ইগুৱানা নতুবা বনৰীয়া গাহৰিৰ ছালেৰে। কঠোৰ বন্যপ্ৰাণী সংৰক্ষণ নীতিয়ে মানুহক বিকল্পৰ সন্ধান কৰাইছে। কোনোবাই ক'লে—এতিয়া ইগুৱানাৰ সলনি ব্যৱহৃত হয় গৰুৰ কেঁচা ছাল।

বাদ্যযন্ত্ৰীসকলৰ প্ৰাৰ্থনা-সংগীত আৰু একাগ্ৰতাই আমাক মুগ্ধ কৰিলে। শৰীৰৰ নিম্নাংশত শুভ্ৰ ধুতি, বুকুৰ পৰা কঁকাললৈ মেৰিয়াই ৰখা একোখনি ৰক্তবৰ্ণ বস্ত্ৰ, মূৰত একোটি পাগুৰী—এনে উজ্জ্বল পোছাক-পৰিচ্ছদেও তেওঁলোকক আকৰ্ষণীয় কৰি তুলিছে।

এটা সময়ত আমি অশ্বত্থ বৃক্ষ প্ৰদক্ষিণ কৰিলোঁ।

এটা সময়ত আমি বৌদ্ধ উপাসকসকলৰ দৰে—সেয়া অৱশ্যেই গীতাঞ্জলিৰ নিৰ্দেশমৰ্মে—প্ৰাৰ্থনাৰ ভংগীত মজিয়াত বহিলোঁ। আমাৰ কাষতেই এগৰাকী শুভ্ৰবসনা প্ৰাৰ্থনাৰত বৃদ্ধা—মজিয়াত বহিব নোৱাৰি তেওঁ চকীত বহিছে। সন্মুখৰ এটা মাৰ্বল-নিৰ্মিত বুদ্ধমূৰ্তিক তেওঁ ফুল, ফল আৰু কোনো এক ব্যঞ্জনেৰে নৈবেদ্য যাঁচিছে। চৌপাশৰ স্বৰ্ণপাত্ৰ, হাতীদাঁত, পদ্মৰাগ, ভিন্ন মুদ্ৰাত আসনৰত বুদ্ধ আৰু আলোকসজ্জাৰ উজ্জ্বলতাত মাজে মাজে চকু চাট মাৰি ধৰিছে। এই বৰ্ণময় সম্ভাৰৰ মাজতেই অতি সযত্নে, শ্ৰদ্ধাৰে আৰু সতৰ্কতাৰে এটা সঁফুৰাত ৰখা হৈছে বুদ্ধৰ কেশ।

আমি সেই কেশ দৰ্শন কৰিলোঁ।

**136.** ডাউলা নামৰ ঢোলজাতীয় বাদ্যবিধ নিৰ্মাণ কৰোঁতে পূৰ্বে কি জন্তুৰ চামৰা ব্যৱহাৰ কৰা হৈছিল?

(1) গৰু নতুবা ম'হ
(2) ছাগলী নতুবা ভেড়া
(3) শৰ-পহু নতুবা হৰিণা
(4) ইগুৱানা নতুবা বনগাহৰি

**137.** গংগাৰামায়া মন্দিৰৰ ক'ত আৰু কিমানজন বাদ্যযন্ত্ৰীয়ে প্ৰাৰ্থনাৰ দৰে পৰিৱেশন কৰি আছিল?

(1) মন্দিৰৰ প্ৰথম মহলাত, তিনিজনে
(2) অশ্বত্থ বৃক্ষৰ কাষত, চাৰিজনে
(3) বুদ্ধৰ মূৰ্তিৰ সমুখত, ছজনে
(4) মন্দিৰৰ চৌহদত, পাঁচজনে

Prepp
Your Personal Exams Guide

**138.** বাদ্যযন্ত্রীসকলে পৰিধান কৰা পোছাক কেনেধৰণৰ আছিল ?

(1) চকু চাট মাৰি ধৰা মণি-মুক্তাখচিত

(2) বগা পাগুৰী, ৰঙা ধুতি, মুক্তামালাৰে আকৰ্ষণীয়

(3) বগা ধুতি, দীঘলকৈ মেৰিয়াই লোৱা ৰঙা বস্ত্ৰ আৰু পাগুৰীৰে সৈতে উজ্জ্বল

(4) অনুজ্জ্বল, কিন্তু সুন্দৰ শুভ্ৰবসন

**139.** 'অনুৰাগী' শব্দটোত কি প্ৰত্যয়ৰ প্ৰয়োগ হৈছে ?

(1) অ

(2) ৰাগ

(3) ঈ

(4) অনু

**140.** অশ্বত্থ বৃক্ষ মানে—

(1) বৰগছ

(2) আঁহত গছ

(3) শিৰীষ গছ

(4) নিমগছ

**141.** গংগাৰামায়া মন্দিৰৰ প্ৰাংগণত সোমোৱাৰ লগে লগে কিহে লেখকক তৎমুহূৰ্ততে আকৰ্ষণ কৰিছিল ?

(1) বুদ্ধৰ কেশ

(2) ডাউলা, পেপাঁজাতীয় বাদ্য আদিৰ পৰিৱেশন

(3) ভিন্ন মুদ্ৰাত আসনৰত বুদ্ধৰ মূৰ্তি

(4) অশ্বত্থ বৃক্ষ

**142.** শুভ্ৰবসন পৰিধান কৰা বৃদ্ধাগৰাকীয়ে কিদৰে প্ৰাৰ্থনা কৰিছিল ?

(1) মজিয়াত বহি

(2) চকীত বহি

(3) চকীত ভেজা দি থিয় হৈ

(4) মজিয়াত দীঘল দি পৰি

**নিৰ্দেশ** : তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া বহু বৈকল্পিক প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ :

অসমৰ কলা-সংস্কৃতিৰ জগতত গীতি-কবি পাৰ্বতিপ্ৰসাদ বৰুৱা এটি স্বনামধন্য নাম। তেওঁ আছিল একেধাৰে গীতিকাৰ, সুৰসাধক গায়ক, নৃত্যশিল্পী, সু-অভিনেতা আৰু সকলোতকৈ অসমীয়া সংস্কৃতিৰ একনিষ্ঠ পূজাৰী। তেওঁ যিটো পৰিয়ালত জন্মগ্ৰহণ কৰিছিল, সাহিত্য-সংস্কৃতিৰ সাধনা সেই পৰিয়ালটিৰ লগৰীয়া বস্তু আছিল। পাৰ্বতিপ্ৰসাদৰ পূৰ্বপুৰুষ কৃষ্ণদাস উত্তৰ পাৰে থকা বৰ বাৰভূঞাৰ লহকৰ ভূঞাৰ সন্ততি, সৰ্বস্বান্ত হৈ যোৰহাট নগৰলৈ আহি স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ আশ্ৰয় লয়। তেওঁ চন্দ্ৰকান্ত সিংহৰ সমবয়সীয়া আছিল আৰু তেওঁৰ দিনতেই ভঁড়ালী বৰুৱা বিষয়বাব পায়। চন্দ্ৰকান্ত সিংহৰ দিনতে তেওঁৰ পুতেক যাদুৰাম বৰুৱাই 'বৰ ভাণ্ডাৰ বৰুৱা' বিষয় পোৱাত যাদুৰামক 'ডেকা বৰুৱা'ও বোলা হৈছিল। তেওঁৰ গাটো লাহি আছিল কাৰণে 'লেৰেলি ডেকা বৰুৱা'ও বুলিছিল। বৃটিছৰ আমোলত যাদুৰাম ডেকা বৰুৱাই প্ৰথম অসমীয়া অভিধান লিখি ১৮৩৯ চনত জেন্‌কিন্স চাহাবক দিয়ে। ইয়াৰ আলমতে বেপটিষ্ট মিছনৰ ব্ৰন্‌সন্ চাহাবে প্ৰথম অভিধান ছপাই উলিয়ায়। তেওঁ বঙালী কাকত 'সমাচাৰ চন্দ্ৰিকা' আৰু 'সমাচাৰ দৰ্পণ'ত প্ৰবন্ধ লিখিছিল। সেই সময়ত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ বাবে তেওঁ বৃটিছ চৰকাৰৰ বিৰুদ্ধে, আনন্দৰাম ঢেকিয়াল ফুকনৰ লগত একেলগে যুদ্ধ কৰিছিল। ঢেকিয়াল ফুকনে লেখা 'অসমীয়া ল'ৰাৰ মিত্ৰ' কিতাপখন ছপাবলৈ যাদুৰাম বৰুৱাই অৰ্থ-সাহায্য দিছিল। যাদুৰামৰ পুত্ৰ দুজন, কৃষ্ণপ্ৰসাদ আৰু দুৰ্গাপ্ৰসাদে শিৱসাগৰ মহকুমাৰ দক্ষিণ-পূৰলৈ থকা বৃহৎ অভয়পুৰ মৌজা (বৰহাটৰ বৰুৱাচালি, সাপেখাতী আৰু সোণাৰিৰ অভয়পুৰ—এই তিনিটা মৌজা একেলগে আছিল) লৈ শিৱসাগৰত নিগাজীকৈ থাকিবলৈ লয়। দুৰ্গাপ্ৰসাদৰ তিনিজন পুত্ৰ স্বৰ্গীয় ৰাধিকাপ্ৰসাদ, স্বৰ্গীয় ভৱানীপ্ৰসাদ আৰু স্বৰ্গীয় তাৰিণীপ্ৰসাদ। স্বৰ্গীয় ৰাধিকাপ্ৰসাদৰ চাৰিজন পুত্ৰ—স্বৰ্গীয় ভগৱতীপ্ৰসাদ, স্বৰ্গীয় পাৰ্বতিপ্ৰসাদ, কামাখ্যাপ্ৰসাদ আৰু স্বৰ্গীয় মোক্ষদাপ্ৰসাদ। ৰাধিকাপ্ৰসাদ অসম কাউন্সিলৰ মেম্বাৰ আছিল, তেওঁ 'ৰায় চাহেব' খিতাপো পাইছিল। তেওঁ আছিল নীৰৱ সাহিত্যিক। তেওঁ 'পদ্য জামলা', 'ভিক্টোৰিয়া চৰিত্ৰ' আৰু 'ভূগোল পাঠ' লেখিছিল। ৰাধিকাপ্ৰসাদে যোৰহাটৰ বিখ্যাত চাহ-খেতিয়ক, ৰায় বাহাদুৰ বিষ্টুৰাম বৰুৱাৰ কন্যা হিমলা দেৱীক বিয়া কৰায়। হিমলা দেৱীয়ে বৰ পুত্ৰ ভগৱতীপ্ৰসাদৰ শোকত 'বিননি' নামৰ কবিতাপুথি ছপাই উলিয়াইছিল। তেওঁলোকৰ শিৱসাগৰৰ বাহিৰেও সোণাৰিতো এখন ঘৰ আছিল।

**143.** প্ৰথম অসমীয়া অভিধানখনৰ প্ৰণেতাগৰাকী আছিল

(1) যাদুৰাম ডেকা বৰুৱা

(2) জেন্‌কিন্স চাহাব

(3) ব্ৰন্‌সন্ চাহাব

(4) আনন্দৰাম ঢেকিয়াল ফুকন

**144.** 'বিননি' নামৰ শোকগাথামূলক কবিতা পুথিখন কোনে লিখিছিল ?

(1) হিমলা দেৱীয়ে (2) পাৰ্বতিপ্ৰসাদ বৰুৱাই

(3) ৰাধিকাপ্ৰসাদ বৰুৱাই (4) ৰায় বাহাদুৰ বিষ্ণুৰাম বৰুৱাই

**145.** যাদুৰাম ডেকা বৰুৱাৰ ক্ষেত্ৰত তলত দিয়া কোনটো উক্তি শুদ্ধ **নহয়** ?

(1) তেওঁ 'বৰ ভাণ্ডাৰ বৰুৱা' বিষয়বাব পাইছিল (2) তেওঁক 'ডেকা বৰুৱা'ও বোলা হৈছিল

(3) তেওঁক 'লেৰেলি বৰুৱা'ও বোলা হৈছিল (4) চন্দ্ৰকান্ত সিংহৰ দিনত তেওঁ 'ভঁড়ালী বৰুৱা' বিষয়বাব পাইছিল

**146.** বৰুৱাচালি, সাপেখাতী আৰু অভয়পুৰ—এই তিনিওটা মৌজা মিলি হোৱা বৃহত্তৰ মৌজাটো ক'ত আছিল ?

(1) বৰহাটৰ উত্তৰ-দক্ষিণ দিশে (2) শিৱসাগৰ মহকুমাৰ দক্ষিণ-পূৱ দিশে

(3) যোৰহাট মহকুমাৰ দক্ষিণ-পূৱ দিশে (4) সোণাৰিৰ দক্ষিণ-পশ্চিম দিশে

**147.** তলত দিয়া শব্দকেইটাৰ কোনটোৱে 'খিতাপ' শব্দৰ অৰ্থ বহন **নকৰে** ?

(1) খ্যাতি (2) উপাধি

(3) নামকৰণ (4) যশস্যা

**148.** "তেওঁ চন্দ্ৰকান্ত <u>সিংহৰ</u> সমবয়সীয়া আছিল।" প্ৰদত্ত ৰচনাখণ্ডৰ পৰা উদ্ধৃত এই বাক্যটোৰ ৰেখাংকিত অংশত ব্যৱহৃত বিভক্তিটো হৈছে

(1) পঞ্চমী (2) ষষ্ঠী

(3) সপ্তমী (4) চতুৰ্থী

**149.** যাদুৰাম বৰুৱাৰ পুত্ৰদ্বয়ৰ নাম আছিল—

(1) পাৰ্বতিপ্ৰসাদ আৰু ৰাধিকাপ্ৰসাদ (2) ৰাধিকাপ্ৰসাদ আৰু দুৰ্গাপ্ৰসাদ

(3) দুৰ্গাপ্ৰসাদ আৰু কৃষ্ণপ্ৰসাদ (4) ভগৱতীপ্ৰসাদ আৰু পাৰ্বতিপ্ৰসাদ

**150.** তলত দিয়া গ্ৰন্থকেইখনৰ ভিতৰত কোনখন ৰাধিকাপ্ৰসাদ বৰুৱাই লিখা **নহয়** ?

(1) 'ভূগোল পাঠ' (2) 'ভিক্‌টোৰিয়া চৰিত্ৰ'

(3) 'পদ্য জামলা' (4) 'অসমীয়া ল'ৰাৰ মিত্ৰ'

Prepp
Your Personal Exams Guide

SPACE FOR ROUGH WORK

★ ★ ★



Prepp Your Personal Exam Guide

Prepp
Your Personal Exams Guide

*তলত দিয়া নিৰ্দেশাৱলী মনোযোগেৰে পঢ়া :*

1. ভিন্ ভিন্ প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষণ-বহীত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে মনোযোগেৰে পঢ়িবা।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ-বহীৰ **দ্বিতীয় পিঠিত ক'লা বা নীলা বল পেনেৰে ঘূৰণীয়াকৈ** বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰ পৰিৱৰ্তন কৰিব নোৱাৰা।

3. উত্তৰ-বহীখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-বহীৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. পৰীক্ষণ-বহী আৰু উত্তৰ-বহী মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ পৰীক্ষণ-বহী আৰু উত্তৰ-বহীৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প পৰীক্ষণ-বহী আৰু উত্তৰ-বহী দিয়া নহ'ব।

5. পৰীক্ষণ-বহী/উত্তৰ-বহীত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা।

6. OMR উত্তৰ-বহীত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নোৱাৰিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহত প্ৰৱেশ পত্ৰৰ বাহিৰে অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, ম'বাইল ফ'ন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে।

8. ম'বাইল ফ'ন, যি কোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌শ্বড় অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ-বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহ'লে উত্তৰ-বহী নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব।

12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী আৰু উত্তৰ-বহী কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ-বহী নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী লগত নিব পাৰে।**

Prepp
Your Personal Exams Guide

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर-पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉलपॉइंट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर-पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर-पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर-पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/उत्तर-पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर-पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच्ड ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी के विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर-पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर-पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अँगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर-पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर-पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue/Black Ballpoint Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the Examination Hall/Room. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, before leaving the Hall/Room, the candidate must hand over the Answer Sheet to the Invigilator in the Hall/Room.** ***The candidates are allowed to take away this Test Booklet with them.***